# পৰিয়াল

## Chapter – 1

## পৰিৱেশ অধ্যয়ন

**⇒ দলত আলোচনা কৰি কোৱা :**



প্ৰথম পৰিয়াল



দ্বিতীয় পৰিয়াল

**১। দুয়োটা পৰিয়াল একেইনে ? দুয়োটা পৰিয়ালৰ মাজত কি কি অমিল দেখিছা ?**

**উত্তৰঃ** ছবিত থকা দুয়োটা পৰিয়াল একে নহয়। দুয়োটা পৰিয়ালৰ মাজত থকা অমিলসমূহ হ'ল —

( ১ ) প্ৰথম পৰিয়ালটো একক পৰিয়াল আৰু দ্বিতীয় পৰিয়ালটো যৌথ পৰিয়াল ।

( ২ ) প্ৰথম পৰিয়ালটোৰ সদস্য সংখ্যা কম আৰু দ্বিতীয় পৰিয়ালটোৰ সদস্য সংখ্যা বেছি ।

( ৩ ) প্ৰথম পৰিয়ালটোত দুজন শিশু সদস্য আছে , কিন্তু দ্বিতীয় পৰিয়ালটোত তিনিজন শিশু সদস্য আছে ।

( ৪ ) প্ৰথম পৰিয়ালটোত দুগৰাকী মহিলা সদস্যা আছে আৰু দ্বিতীয় পৰিয়ালটোত পাঁচগৰাকী মহিলা সদস্যা আছে ।

( ৫ ) প্ৰথম পৰিয়ালটোত দুজন পুৰুষ সদস্য আছে আনহাতে দ্বিতীয় পৰিয়ালটোত চাৰিজন পুৰুষ সদস্য আছে ।

**২। প্ৰথম পৰিয়ালৰ সদস্য কেইজন ?**

**উত্তৰঃ** প্ৰথম পৰিয়ালৰ সদস্য চাৰিজন ।

**৩। দ্বিতীয় পৰিয়ালৰ সদস্য কেইজন ?**

**উত্তৰঃ** দ্বিতীয় পৰিয়ালৰ সদস্য ন জন ।

**⇒ ওপৰত দিয়া অনিতাৰ পৰিয়ালটোৰ বৰ্ণনাৰ আলমত তলৰ প্ৰশ্নসমূহৰ উত্তৰ দিয়া।**

**৪। অনিতাৰ পৰিয়ালটোত কোন কোন আছে ?**

**উত্তৰঃ** অনিতাৰ পৰিয়ালটোত অনিতাৰ ককাক – আইতাক , খুড়াক খুৰীয়েক , পেহীয়েক , মাক – দেউতাক আৰু তেওঁলোকৰ ল'ৰা ছোৱালীসমূহ আছে ।

**৫। পৰিয়ালৰ কোন কেইজন সদস্যই তাইৰ যত্ন লয় ?**

**উত্তৰঃ** পৰিয়ালৰ প্ৰায় প্ৰত্যেক জন লোকেই অনিতাৰ যত্ন লয় । খুড়ীয়েকে তাইক বিদ্যালয়লৈ যাবলৈ সাজু কৰি দিয়ে আৰু খুড়াকে অফিচলৈ যাওঁতে তাইক বিদ্যালয়লৈ লৈ যায় । আইতাক আৰু পেহীয়েকে প্ৰত্যেক দেওবাৰে গান শিকায় আৰু মাকে তাইৰ পঢ়া – শুনাৰ যত্ন লয়।

**৬। অনিতাৰ পৰিয়ালটোৰ মুৰব্বী কোন ?**

**উত্তৰঃ** যিহেতু পৰিয়ালৰ জেষ্ঠজনক পৰিয়ালৰ মুৰব্বী বুলি কোৱা হয় , গতিকে অনিতাহঁতৰ পৰিয়ালৰ মুৰব্বী হ'ল অনিতাৰ ককাক ।

**৭। মণি , পৰী আৰু জুৰি তিনিগৰাকী সহপাঠী একেলগে এটা ভাৰা ঘৰত থাকে । এইটো এটা পৰিয়ালনে ? যদি হয় কিয় ? যদি নহয় কিয় ?**

**উত্তৰঃ** এইটো এটা পৰিয়াল নহয় । এইটো এটা পৰিয়াল নোহোৱাৰ কাৰণ হ'ল মণি , পৰী আৰু জুৰি একে পৰিয়ালৰ সদস্য নহয় । তিনিগৰাকী কেৱল সহপাঠীহে মাথোন ।

**⇒ তোমালোকৰ ওচৰতে থকা পৰিয়াল এটাৰ ঘৰলৈ গৈ তলৰ তথ্যখিনি সংগ্ৰহ কৰা –( শিক্ষক – শিক্ষয়িত্ৰী বা অভিভাৱকৰ সহায় ল’বা । )**

**( ক ) পৰিয়ালটোৰ সদস্যৰ সংখ্যা কিমান ?**

**উত্তৰঃ** পৰিয়ালটোৰ সদস্য সংখ্যা হ’ল চাৰিজন ।

**( খ ) পৰিয়ালটো একক নে যৌথ পৰিয়াল ?**

**উত্তৰঃ** পৰিয়ালটো একক ।

**( গ ) পৰিয়ালৰ মুৰব্বী কোন ?**

**উত্তৰঃ** পৰিয়ালৰ মুৰব্বী হ’ল সেই পৰিয়ালৰ জ্যেষ্ঠজন , তেওঁৱেই পৰিয়ালটো পৰিচালনা কৰে।

**( ঘ ) পৰিয়ালটোত উপাৰ্জন কৰা সদস্য কেইজন ?**

**উত্তৰঃ** পৰিয়ালটোত উপাৰ্জন কৰা সদস্য এজন ।

**( ঙ ) পৰিয়ালটোত ১৫ বছৰৰ তলৰ ল’ৰা – ছোৱালী সংখ্যা কিমান ?**

**উত্তৰঃ** পৰিয়ালটোত ১৫ বছৰৰ তলৰ ল’ৰা – ছোৱালীৰ সংখ্যা দুজন ।

**( চ ) পৰিয়ালটোত কথা কোৱা আৰু শুনাৰ অসুবিধা থকা ল’ৰা ছোৱালী আছে নেকি ?**

**উত্তৰঃ** পৰিয়ালটোত কথা কোৱা আৰু শুনাৰ অসুবিধা থকা ল’ৰা – ছোৱালী নাই ।

**( ছ ) তেওঁলোকৰ পঢ়া – শুনাৰ যত্ন কোনে লয় ?**

**উত্তৰঃ** তেওঁলোকৰ পঢ়া – শুনাৰ যত্ন মাক – দেউতাকে লয় , লগতে বিদ্যালয়ৰ শিক্ষক – শিক্ষয়িত্ৰীয়ে এই ক্ষেত্ৰত তেওঁলোকক সহায় কৰে।


**ক্ৰিয়া কলাপ**

**৮। তোমাৰ পৰিয়ালত কোন কোন সদস্য আছে ?**

**উত্তৰঃ** আমাৰ পৰিয়ালত মোৰ মা – দেউতা , মই , মোৰ দাদা , খুৰা – খুৰী আৰু খুৰা – খুৰীহঁতৰ ছোৱালী জুৰি , ককা আইতা আৰু পেহী আছে।

**৯। অনিতাহঁতৰ ‘ পৰিয়াল বৃক্ষ ’ জোপা চাই তোমালোকেও নিজৰ নিজৰ ‘ পৰিয়াল বৃক্ষ ’ একোজোপা আঁকা ।**

উত্তৰ ঃ




## অনুশীলনী

**১। চমু উত্তৰ দিয়া :**

**( ক ) পৰিয়াল এটা কোনে পৰিচালনা কৰে ?**

**উত্তৰঃ** পৰিয়াল এটা পৰিয়ালৰ মুৰব্বীজনে পৰিচালনা কৰে ।

**( খ ) অনিতাৰ পৰিয়ালৰ সদস্য কেইজন ?**

**উত্তৰঃ** অনিতাৰ পৰিয়ালৰ সদস্য ন জন ।

**( গ ) অনিতাৰ পৰিয়ালটো কোনটো পৰিয়ালৰ অন্তৰ্গত ?**

**উত্তৰঃ** অনিতাৰ পৰিয়ালটো যৌথ পৰিয়ালৰ অন্তৰ্গত।

**( ঘ ) শশাংকুৰ পৰিয়ালটো কি পৰিয়াল ?**

**উত্তৰঃ** শশাংকুৰ পৰিয়ালটো একক পৰিয়াল ।

**২। খালী ঠাই পূৰ কৰা :**

**( ক ) সমাজৰ এটা প্ৰাথমিক গোট হ'ল ____।**

**উত্তৰঃ** সমাজৰ এটা প্ৰাথমিক গোট হ'ল পৰিয়াল।

**( খ ) পৰিয়াল এটা শৃঙ্খলাবদ্ধভাৱে চলিবৰ বাবে প্ৰতিটো পৰিয়ালৰ বাবে নিজা নিজা ____থাকে।**

**উত্তৰঃ** পৰিয়াল এটা শৃঙ্খলাবদ্ধভাৱে চলিবৰ বাবে প্ৰতিটো পৰিয়ালৰ বাবে নিজা নিজা নীতি – নিয়ম থাকে ।

**( গ ) শশাংকুৱে ধুনীয়া ____ আঁকা।**

**উত্তৰঃ** শশাংকুৱে ধুনীয়া ছবি আঁকে ।

**( ঘ ) শিক্ষয়িত্ৰীয়ে শশাংকুক সাধু কথা ____।**

**উত্তৰঃ** শিক্ষয়িত্ৰীয়ে শশাংকুক সাধু কথা ইংগিত আৰু অংগী – ভংগীৰে বুজায় ।

**৩। উত্তৰ লিখা :**

**( ক ) একক পৰিয়াল বুলিলে কি বুজা ?**

**উত্তৰঃ** যি পৰিয়ালত কেৱল মাক – দেউতাক আৰু তেওঁলোকৰ ল'ৰা ছোৱালী একেলগে থাকে তাক একক পৰিয়াল বোলে ।

**( খ ) শশাংকুৱে কিয় ইংগিতেৰে কথা পাতে ?**

**উত্তৰঃ** শশাংকুৱে ভালকৈ কথা ক'ব নোৱাৰে আৰু ভালদৰে শুনা নাপায়।সেইকাৰণে শশাংকুৱে ইংগিতেৰে কথা পাতে ।

**( গ ) যৌথ পৰিয়াল বুলিলে কি বুজা ?**

**উত্তৰঃ** যি পৰিয়ালত দুটা তিনিটা সৰু পৰিয়াল লগ হৈ এটা ডাঙৰ পৰিয়াল হৈ থাকে তাক যৌথ পৰিয়াল বোলে । যৌথ পৰিয়াল এটাত ককাক – আইতাক , খুৰাক – খুৰীয়েক , মাক – দেউতাক , বৰদেউতাক বৰ্মাক , পেহীয়েক আৰু তেওঁলোকৰ ল'ৰা – ছোৱালীসমূহ একেলগে থাকে।

**( ঘ ) শশাংকুৱে বিদ্যালয় লগৰীয়াৰ লগত কি কি কৰে ?**

**উত্তৰঃ** শশাংকুৱে বিদ্যালয়ত লগৰীয়াৰ লগত পুতলা সজা , সাঁথৰ আৰু কাঠৰ টুকুৰা লগ – লগাই বিভিন্ন ধৰণৰ বস্তু সজা আদি খেল খেলে ।

**৪। তলত দিয়া সদস্যসকলৰ সম্পৰ্ক বিচাৰি উলিয়াই ‘ ক ’ অংশৰ লগত ‘ খ ’ অংশ মিলোৱা :**

| **‘ক’** | **‘খ’** |
|---|---|
| **দেউতাৰ ককায়েক** | **পেহী** |
| **ককাৰ দেউতাক** | **বৰদেউতা** |
| **দেউতাৰ মাক** | **মামা** |
| **মাৰ ভায়েক** | **ককা** |
| **দেউতাৰ ভনীয়েক** | **আইতা** |
| **মাৰ দেউতাক** | **আজোককা** |

**উত্তৰঃ**

| **‘ক’** | **‘খ’** |
|---|---|
| দেউতাৰ ককায়েক | বৰদেউতা |
| ককাৰ দেউতাক | আজোককা |
| দেউতাৰ মাক | আইতা |

| | |
|---|---|
| মাৰ ভায়েক | মামা |
| দেউতাৰ ভনীয়েক | পেহী |
| মাৰ দেউতাক | ককা |

**৫। তোমালোকৰ নিজৰ নিজৰ পৰিয়ালৰ বিষয়ে পাঁচটা বাক্য লিখা ।**

**উত্তৰঃ** ( ১ ) আমাৰ পৰিয়ালটো এটা যৌথ পৰিয়াল ।

( ২ ) আমাৰ পৰিয়ালত মোৰ মা – দেউতা , দাদা , ককা – আইতা , খুৰা – খুৰী আৰু তেওঁলোকৰ ল’ৰা – ছোৱালী আৰু পেহী থাকে ।

( ৩ ) আমাৰ পৰিয়ালৰ মুৰব্বী হ’ল মোৰ ককা ।

( ৪ ) আমাৰ পৰিয়ালৰ প্ৰত্যেকজন সদস্যই মোৰ যথেষ্ট যত্ন লয় ।

( ৫ ) আমাৰ পৰিয়ালটোৰ মাজত মিলা – প্ৰীতি আছে আৰু ইজনে সিজনক বিভিন্ন কামত সহায় – সহযোগিতা কৰি দিয়ে।

## অতিৰিক্ত প্ৰশ্নোত্তৰ

**১। পৰিয়াল কাক বোলে ?**

**উত্তৰঃ** মা – দেউতা , বাই – ভনী , দাদা – ভাইটি সকলো মিলিয়েই হৈছে পৰিয়াল ।

**২। পৰিয়ালৰ মুৰব্বী কোন হয় ?**

**উত্তৰঃ** পৰিয়ালৰ জেষ্ঠ্য লোকজনেই পৰিয়ালৰ মুৰব্বী হয়।

**৩। অনিতাহঁতৰ পৰিয়ালটো ক’ত থাকে ?**

**উত্তৰঃ** অনিতাহঁতৰ পৰিয়ালটো শিৱসাগৰ জিলাৰ নাজিৰাত থাকে ।

**৪। অনিতাহঁতৰ পৰিয়ালত কোন কোন আছে ?**

**উত্তৰঃ** অনিতাহঁতৰ পৰিয়ালত অনিতাৰ ককাক – আইতাক , মাক দেউতাক , খুড়াক – খুড়ীয়েক , পেহীয়েক আৰু খুড়াকৰ ল’ৰা জিণ্টু আছে ।

**৫। অনিতাই ককাকক কি কামত সহায় কৰি দিয়ে ?**

**উত্তৰঃ** অনিতাই ককাকক আবেলি ফুলনিত পানী দিয়াত সহায় কৰি দিয়ে ।

**৬। অনিতাই কাৰ ওচৰত গান শিকে ?**

**উত্তৰঃ** অনিতাই পেহীয়েকৰ ওচৰত গান শিকে ।

**৭। অনিতাই কি প্ৰতিযোগিতাত প্ৰথম পুৰষ্কাৰ পাইছিল ?**

**উত্তৰঃ** অনিতাই বিদ্যালয়ৰ বাৰ্ষিক অধিৱেশনত হোৱা জ্যোতি সংগীত প্ৰতিযোগিতাত প্ৰথম পুৰষ্কাৰ পাইছিল ।

**৮। শশাংকু ক’ত থাকে ?**

**উত্তৰঃ** শশাংকু শোণিতপুৰ জিলাৰ চতিয়াত থাকে।

**৯। শশাংকু কোন বিদ্যালয়ত পঢ়ে ?**

**উত্তৰঃ** শশাংকু ঘৰৰ ওচৰতে থকা প্ৰাক্ – প্ৰাথমিক বিদ্যালয়খনত পঢ়ে।

**১০। শশাংকুক ৰাতিপুৱা মাকে কেনেদৰে জগাই দিয়ে ?**

**উত্তৰঃ** শশাংকুক ৰাতিপুৱা মাকে হাতখন জোকাৰি জগাই দিয়ে ।

**১১। শশাংকুৱে ৰাতিপুৱা কাৰ লগত খেলে ?**

**উত্তৰঃ** শশাংকুৱে ৰাতিপুৱা দেউতাকৰ লগত নানা ধৰণৰ খেল খেলে ।

**১২। শশাংকুৱে কি কাম কৰি ভাল পায় ?**

**উত্তৰঃ** শশাংকুৱে ছবি আঁকি ভাল পায় ?

**১৩। শশাংকুৱে কিয় শ্ৰৱণ – যন্ত্ৰ ব্যৱহাৰ কৰে ?**

**উত্তৰঃ** শশাংকুৱে ভালদৰে শুনা নাপায় বাবে শ্ৰৱণ – যন্ত্ৰ ব্যৱহাৰ কৰে ।

**১৪। শশাংকুৰ প্ৰিয় খেল কি ?**

**উত্তৰঃ** ক্ৰিকেট ।

**১৫। শশাংকুৱে ডাঙৰ হ’লে কি হ’ব বিচাৰে ?**

**উত্তৰঃ** শশাংকুৱে ডাঙৰ হ’লে এজন ক্ৰিকেট খেলুৱৈ হ’ব বিচাৰে ।